# ফাটবিহুৰ বিহুনাম, বাদ্যযন্ত্ৰ, সাজ-পোছাক আদি

## ৩.১ বিহুনাম

বিহু প্ৰতিজন অসমীয়াৰ বাপতি-সাহোন জাতীয় উৎসৱ। বিহুৰ সময়ত গোৱা পৰম্পৰাগতভাৱে চলি অহা গীতবোৰেই বিহুনাম। বিহুৰ আধাৰতে বিহুনামবোৰ ৰচিত। ফাটবিহুত গোৱা বিহুনামৰ ভাষাত এই অঞ্চলৰ জনজীৱনৰ আশা, নিৰাশা, বিৰহ, মিলন, পোৱা-নোপোৱাৰ বেদনা, স্থানীয় মঠ-মন্দিৰ, জান-জুৰি, নৈ, প্ৰকৃতিৰ ৰূপ সুন্দৰকৈ চিত্ৰিত হয়। বিহুনামত প্ৰকাশিত সৌন্দৰ্য দুটা ভাগত ভাগ কৰিব পাৰি— প্ৰাকৃতিক সৌন্দৰ্য আৰু দৈহিক সৌন্দৰ্য। তদুপৰি, বিহুনামৰ ধৰ্মীয়, আৰ্থ-সামাজিক প্ৰভাৱো নুই কৰিব নোৱাৰি।

অসমীয়া জাতিৰ আয়ুসৰ লগত বিহুৰ আয়ুস জড়িত হৈ অসমীয়া জাতিৰ সমগ্ৰ জীৱন ধাৰাই প্ৰতিফলিত কৰা ধাৰক আৰু বাহক বিহুৰ ভিতৰত ব'হাগ বিহুৰ লগত মাটি আৰু মানুহৰ উৰ্বৰা শক্তি বৃদ্ধিৰ বাবে ডেকা-গাভৰুসকলে মনৰ আনন্দত মুকলি পথাৰত যৌৱনৰ গীত গাই, নাচ নাচি সৃষ্টিৰ বীজ সিঁচিছিল। বিহুনামসমূহৰদ্বাৰা দৈহিক সৌন্দৰ্য, কৰ্ম-কুশলতা আদি প্ৰকাশ কৰি ডেকা-গাভৰুৱে যেন জীৱন সংগী বিচাৰি ভৱিষ্যৎ জীৱনৰ সুখৰ সপোন ৰচিছিল। প্ৰেম-বিৰহৰ চিত্ৰৰ লগে লগে এই নামসমূহত প্ৰকাশ হয় সমগ্ৰ অসমীয়া জাতিৰ জীৱনগাথা।

"বিহুৰে বিৰিণা পাতে সমনীয়া
বিহুৰে বিৰিণা পাত,
বিহু থাকে মানে বিহুকে বিনাবা
বিহু গ'লে বিনাবা কাক?"

"ৰংপুৰৰ বেপাৰী ঐ ঢকুনাখনাৰ কটাৰী ঐ
নেকাটিলেও কাটো যেন কৰে,
চাৰিকড়ীয়াৰ পানী ঐ হাবুঙৰ গাভৰু ঐ
নেনাচিলেও নাচো যেন কৰে।"

"চাৰিকড়ীয়াৰ পাৰতে ব'হাগে খেলিছে
যৌৱনৰ পিৰীতি খেলা,
ম'হঘুলিলৈ আহিবা ফাটবিহুত নাচিবা
পাতিবা সম্প্ৰীতিৰ মেলা।"

"চাৰিকড়ীয়া নদীতে দি যাওঁ বালি ভেটা
লাগে চেনি-কুঢ়ি মাছ,
তোমাক কেনেবাকৈ নেপাব লাগিলে
ল'ম জৰী গছত ফাচ।"

"চাৰিকড়ীয়া নদীৰে পাভ মাছ আনিলা
খৰিচা টেঙা দি ৰান্ধো,
খাবৰে সময়ত তোলৈ মনত পৰে
বহি ভাতৰ পাতত কান্দো।"

"নৈ কুমতীয়া মধুমতী শিঙিয়া
পশ্চিমে বাসুদেউ পথাৰ,
তুমি যাবা ঘাটলৈ মই থাকিম বাটত বৈ
পাতিম সুখ-দুখৰ কথা।"

"শালিকী চৰায়ে কিৰালি পাৰিলে
গছৰ গুটি খাবলৈ পাই,
আমি সমনীয়া কিৰালি পাৰিলো
ফাটবিহুৰ বাতৰি পাই।"

"চাৰিকড়ীয়া পাৰৰে কঁহুৱা শুৱনি
চোমৰে চিৰিলি পাত,
বিহুৰ কথা ভাবি তোমাকো নেদেখি
চেতনা নাইকিয়া গাত।"

"ম'হঘুলি চাপৰিত আবেলি ঐ আবেলি
ধানে নিৰাইছিলা চাপৰি ঐ চাপৰি
ব'হাগৰ দুপৰীয়া ঢোল-পেঁপাৰ ঐ গুম্‌গুমনি
ঢপলীয়াই আহিলা মৰমৰে নাচনী।
হায়ৈ জোন এবেলি কিয় পোহৰ দিলি
মোৰে মন বলিয়া মোৰে মন বলিয়া কৰি।"

"ব্ৰহ্মপুত্ৰৰ শুৱনি কঁহুৱা বননি
চাৰিকড়ীয়াৰ শুৱনি বালি,
তোমাৰে শুৱনি পদুম যেন মুখখনি
যেতিয়া বিৰিঙে হাঁহি।"

ইত্যাদি।

### ৩.২ বাদ্যযন্ত্ৰ

ফাটবিহুত প্ৰধানকৈ ব্যৱহাৰ বাদ্যযন্ত্ৰসমূহ হ'ল— ঢোল, পেঁপা, তাল, টকা, গগনা, সুতুলি, ঢোপচুঙা, বাঁহী ইত্যাদি।

### ৩.৩ সাজ-পোছাক

মানুহৰ মৌলিক প্ৰয়োজনসমূহৰ ভিতৰত সাজ-পোছাক অন্যতম। সাজ-পাৰ মানুহৰ সাংস্কৃতিক চেতনাবোধৰো বিশিষ্ট প্ৰকাশ। সাজ-পোছাকে মানুহৰ সৌন্দৰ্যপিপাসু মানসিকতাৰো পৰিচয় বহন কৰে। ফাটবিহুৰ পৰম্পৰালৈ লক্ষ্য কৰিলে দেখা যায় জাতীয় সাজ-পাৰ ফাটবিহুৰ এক অনন্য বিশেষত্ব। ফাটবিহুত মহিলাসকলে প্ৰধানকৈ মুগাৰ মেখেলা, ৰিহা তথা বিভিন্ন জনজাতীয় বিভিন্ন সাজ-পাৰ পৰিধান কৰে। তেনেকৈ পুৰুষসকলেও ধুতি, কামিজ (কুৰ্তা), গামোচা তথা বিভিন্ন জনজাতীয় সাজ-পাৰ পৰিধান কৰে। সামগ্ৰিকভাৱে জাতীয় সাজ-পাৰ ফাটবিহুৰ বিশিষ্ট বৈশিষ্ট্য। ফাটবিহুত অংশগ্ৰহণকাৰী বিহুৱা-বিহুৱতী, আয়োজক সমিতিৰ সদস্যবৰ্গৰ বাবে জাতীয় সাজ বাধ্যতামূলক। দৰ্শকসকলৰ বাবে অৱশ্যে জাতীয় সাজ বাধ্যতামূলক নহয়। তথাপি শালীন সাজ তথা জাতীয় সাজ পৰিধান কৰি ফাটবিহুত সকলোৰে অংশগ্ৰহণ কৰা উচিত বিবেচনা কৰে আয়োজক গোষ্ঠীয়ে। আনহাতে, অংশগ্ৰহণকাৰী, বিষয়ববীয়া, দৰ্শক নিৰ্বিশেষে ফাটবিহুৰ মঞ্চত প্ৰৱেশৰ ক্ষেত্ৰত সকলোৰে বাবেই জাতীয় সাজ বাধ্যতামূলক। পৰিশীলিত, সুৰুচিসন্মত সাজ-পাৰে ফাটবিহুৰ ঐতিহ্যক প্ৰৱহমান কৰি ৰখাত বিশেষ ভূমিকা পালন কৰি অহা দেখা যায়।